# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI

0000000000

**Date :** 28-04-2024
**Time :** 01-40 hrs

## *Assamese Midday Bulletin*

### HEADLINES

১। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কৰ্ণাটকৰ বেলগাৱিৰ এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি চৰকাৰে সদায়ে ক্ষুদ্ৰ কৃষকসকলৰ প্ৰয়োজনীয়তাক গুৰুত্ব দি আহিছে বুলি মন্তব্য কৰে।

২। মণিপুৰৰ আউটাৰ মণিপুৰ সংসদীয় সমষ্টিৰ বাবে ৬ টা ভোটগ্ৰহণ কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত কৰিবলৈ ভাৰতীয় নিৰ্বাচনী আয়োগে নিৰ্দেশনা জাৰি কৰিছে।

৩। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ কাইলৈ নিৰ্বাচনী প্ৰচাৰৰ বাবে অসমলৈ আহিব।

৪। দিল্লী কংগ্ৰেছৰ সভাপতি অৰবিন্দৰ সিং লাভলীয়ে সভাপতি পদৰ পৰা পদত্যাগ কৰিছে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুজৰাট টাইটানছ-ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদ-চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হব।

০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কৰ্ণাটকৰ বেলগাৱিত এখন বিশাল নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। সভাত উপস্থিত জনতাক সম্বোধন কৰি তেওঁ কয় যে, বিগত ১০ বছৰত বিজেপি চৰকাৰে কৃষক উৎপাদক সংস্থাৰ জৰিয়তে খেতিয়কসকলৰ বাবে কৃষি উৎপাদিত সামগ্ৰীৰ বজাৰ মুকলি কৰি ক্ষুদ্ৰ কৃষকসকলক সহায় কৰি আহিছে। ইন্ধনত ইথানল মিহলি প্ৰক্ৰিয়াৰ জৰিয়তে কৃষকসকলে ৭০ হাজাৰ কোটি টকা উপাৰ্জন কৰিছে। ভাষণ প্ৰসংগত বিজেপি চৰকাৰে গৃহীত কৰা ভাৰতীয় ন্যায় সংহিতাই আন শৃংখলা পৰিস্থিতি অধিক উন্নত কৰিব বুলিও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰে। কৰ্ণাটকৰ কংগ্ৰেছ চৰকাৰে প্ৰধানমন্ত্ৰী কৃষি সন্মান যোজনাৰ জৰিয়তে কৃষকক পূৰ্বৰ বিজেপি চৰকাৰে ৪ হাজাৰ টকাকৈ দিয়া আৰ্থিক সাহায্য কৰ্তন কৰা বুলিও প্ৰধানমন্ত্ৰীয়ে অভিযোগ উত্থাপন কৰে। তেওঁ কয় যে, কৰ্ণাটকত কংগ্ৰেছৰ ভোটবেংক আৰু তুষ্টিকৰণ ৰাজনীতিৰ বাবেই আইন শৃংখলাৰ অৱনতি ঘটিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে অলপতে হুবৱলিৰ নেহা হীৰেমেথ হত্যাকাণ্ড আৰু ৰামেশ্বৰমৰ এখন কেফেত সংঘটিত বোমা বিস্ফোৰণৰ প্ৰসংগ উত্থাপন কৰি কয় যে, বিজেপি চৰকাৰে নতুন প্ৰণয়ন কৰা ন্যায় সংহিতাই এনে ঘটনা ৰোধ কৰাত সহায় কৰিব। কেন্দ্ৰীয় চৰকাৰে নিষিদ্ধ ঘোষণা কৰা পি এফ আই নামৰ সংগঠনটোৰ পৰা নিৰ্বাচনত কংগ্ৰেছে সহায় লোৱা বুলিও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৰুতৰ অভিযোগ উত্থাপন

কৰে। তেওঁ কয় যে, কংগ্ৰেছে সন্তানৰ উত্তৰাধিকাৰী সূত্ৰে পোৱা ধনৰ ওপৰত উত্তৰাধিকাৰী কৰ সংগ্ৰহৰ প্ৰস্তাৱ আগবঢ়াইছে। উল্লেখযোগ্য যে, এই সভাৰ পিছতে প্ৰধানমন্ত্ৰীগৰাকীয়ে বিয়লিলৈ দেৰাংগেৰেত আন এখন নিৰ্বাচনী সভাত অংশ গ্ৰহণ কৰিব।

০০০০

মণিপুৰৰ আউটাৰ মণিপুৰ সংসদীয় সমষ্টিৰ বাবে ৬ টা ভোটগ্ৰহণ কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ভাৰতীয় নিৰ্বাচন আয়োগে আজি এই সন্দৰ্ভত এক বিশেষ নিৰ্দেশনা জাৰি কৰিছে। অহা ৩০ এপ্ৰিলত পুৱা ৭ বজাৰ পৰা আবেলি ৪ বজালৈ ভোটগ্ৰহণ কেন্দ্ৰকেইটাত  পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে যোৱা ২৬ এপ্ৰিলত  এই ৬ টা ভোটগ্ৰহণ কেন্দ্ৰত সংঘটিত ব্যাপক খেলিমেলিৰ বাবে নিৰ্বাচন আয়োগে ভোটগ্ৰহণ প্ৰক্ৰিয়া বাতিল কৰিছিল। ৰাজ্যখনৰ উখৰুল জিলাৰ ৫ টা ভোটগ্ৰহণ কেন্দ্ৰ আৰু সেনাপতি জিলাৰ এটা ভোটগ্ৰহণ কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ কাইলৈ অসম ভ্ৰমণসূচীৰ পৰিপ্ৰেক্ষিতত কামৰূপ মহানগৰ জিলা প্ৰশাসনে কেতবোৰ নিৰ্দিষ্ট পথক লৈ নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি এই পথসমূহ ড্ৰোন উৰণ আৰু আটচবাজী নিষিদ্ধ এলেকা হিচাপে ঘোষণা কৰা হৈছে। জিলা দণ্ডাধীশ সুমিত চত্তাৱানে এই নিৰ্দেশ জাৰি কৰিছে। এই অনুসৰি লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ পৰা জালুকবাৰী, মালিগাওঁ, চাইকেল ফেক্টৰী তিনিআলি হৈ লালগণেশ পৰ্যন্ত পথছোৱাত এই নিৰ্দেশনা বাহাল থাকিব।

০০০০

অসমত তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। অসমত তৃতীয় পৰ্যায়ত গুৱাহাটী, বৰপেটা, কোকৰাঝাৰ আৰু ধুবুৰী এই ৪ টা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। তৃতীয় পৰ্যায়ত মুঠ ৪৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা হিমন্ত বিশ্ব শৰ্মা, এ আই ইউ ডি এফৰ মুৰব্বী বদৰুদ্দিন আজমল, প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, অসম গণ পৰিষদৰ সভাপতি অতুল বৰা, আৰু বি পি এফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে ভোটাৰক আকৰ্ষণৰ বাবে অহৰহ প্ৰচাৰ অভিযান চলাই আছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে কাইলৈ গুৱাহাটীত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। গুৱাহাটী লোকসভা সমষ্টিত নিৰ্বাচনী যুঁজ আকৰ্ষণীয় হ'ব বুলি ধাৰণা কৰা হৈছে। কিয়নো এই সমষ্টিটোত দুয়োটা প্ৰধান দল বিজেপি আৰু কংগ্ৰেছে দুগৰাকীকৈ মহিলা প্ৰাৰ্থীক প্ৰক্ষেপ কৰিছে। বিজেপিয়ে পূৰ্বৰ সাংসদ কুইন ওজাৰ ঠাইত দলৰ জ্যেষ্ঠ নেত্ৰী বিজুলী কলিতা মেধিক টিকট দিয়াৰ পৰিৱৰ্তে কংগ্ৰেছে বিজেপিৰ প্ৰাক্তন নেত্ৰী মীৰা বৰঠাকুৰ গোস্বামীক প্ৰক্ষেপ কৰিছে।

০০০০

দিল্লী কংগ্ৰেছৰ সভাপতি অৰবিন্দৰ সিং লাভলীয়ে সভাপতি পদৰ পৰা পদত্যাগ কৰিছে। কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেলৈ লিখা এখন পত্ৰত অৰবিন্দৰ সিং লাভলীয়ে কয় যে, দিল্লী কংগ্ৰেছে আম আদমী পাৰ্টীৰ সৈতে মিত্ৰতাৰ বিৰোধিতা কৰিছিল। কিয়নো দিল্লী কংগ্ৰেছৰ বিৰুদ্ধে ভূৱা দুৰ্নীতিৰ অভিযোগ উত্থাপন কৰি আম আদমী পাৰ্টী গঠন হৈছিল। ইয়াৰ পিছতো দলটোৱে দিল্লীত আম আদমী পাৰ্টীৰ সৈতে মিত্ৰতা কৰিছে। দিল্লী কংগ্ৰেছৰ দলীয় কৰ্মীসকল আপৰ এনে ভুৱা অপপ্ৰচাৰত অসন্তুষ্ট বুলিও তেওঁ পত্ৰখনত উল্লেখ কৰে।

০০০০

বিজেপিৰ সভাপতি জে পি নাড্ডাই পশ্চিমবংগৰ সন্দেশখালীৰ ঘটনাৰ বাবে মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী সম্পূৰ্ণৰূপে দায়ী বুলি অভিযোগ উত্থাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত জে পি নাড্ডাই কয় যে, সন্দেশখালিত একাংশ দুস্কৃতিকাৰী প্ৰায়ে সমাজবিৰোধী কাৰ্যকলাপৰ সৈতে জড়িত হৈ আছে। চৰকাৰখনে এই সমাজ বিৰোধী চক্ৰটোক বাধা দিব পৰা নাই। এই চক্ৰটো মহিলাসকলৰ বাবে সদায় ভাবুকি হৈ আহিছে। পশ্চিমবংগ চৰকাৰে ৰাজ্যখনত অৰাজক পৰিস্থিতিৰ সৃষ্টি কৰা বুলি উল্লেখ কৰি বাৰ্তাটোত তেওঁ কয় যে, তদন্তকাৰী সংস্থাসমূহৰ ওপৰতো এনে সমাজ বিৰোধী চক্ৰই সঘনাই আক্ৰমণ সংঘটিত কৰি আহিছে। ইফালে নাড্ডাৰ এই মন্তব্যৰ তাৎক্ষণিক প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে তৃণমূল কংগ্ৰেছৰ নেত্ৰী সাগৰিকা ঘোষে। তেওঁ কয় যে, সন্দেশখালি কাণ্ডৰ সকলো অভিযুক্ত এতিয়া কাৰাগাৰত আছে। কিন্তু বিজেপিয়ে যৌন নিৰ্যাতনত অভিযুক্ত সাংসদ ব্ৰীজ ভূষণ চৰণ সিঙক সকলো ফালৰ পৰাই সুৰক্ষা দি আহিছে।

০০০০

মণিপুৰৰ বিষ্ণুপুৰ জিলাৰ নৰনচিনা গাঁৱৰ পাহাৰীয়া অঞ্চলত কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী আৰু ৰাজ্যিক বাহিনীয়ে অভিযান চলাই অস্ত্ৰ-শস্ত্ৰ আৰু গোলা-বাৰুদ উদ্ধাৰ কৰে। নৰনচিনা গাঁৱত থকা চি আৰ পি এফৰ চকীত পৰহি নিশা হোৱা আক্ৰমণৰ ঘটনাত এজন উপ-পৰিদৰ্শক আৰু কনিষ্টবলৰ মৃত্যু হোৱাৰ পাছত কালি এই অভিযান চলোৱা হয়। এই অভিযানত ৪টা ৰাইফল, দুটা চীনত নিৰ্মিত হেণ্ড গ্ৰেনেড, ১৪৫ জাঁই গুলী-বাৰুদকে ধৰি আন বিভিন্ন আপত্তিজনক সামগ্ৰী জব্দ কৰা হয়। এই অভিযানত অপৰাধী চক্ৰৰ তিনিটা বাংকাৰো ধ্বংস কৰা হয়। ইপিনে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী এন বীৰেন সিঙে সুৰক্ষা বাহিনীৰ ওপৰত হোৱা এই আক্ৰমণৰ ঘটনাক গৰিহণা দিয়াৰ লগতে দোষীক উপযুক্ত শাস্তি প্ৰদানৰ আশ্বাস দিয়ে। ৰাজ্যখনৰ নিৰাপত্তা উপদেষ্টা কুলদীপ সিঙেও এই ঘটনাক গৰিহণা দিছে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত গুজৰাট টাইটানছ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনহাতে চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ আৰু চেন্নাই ছুপাৰ কিংছ মুখামুখি হ'ব।

উল্লেখযোগ্য যে, কালি অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে-লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৭ উইকেটত পৰাস্ত কৰে। ৰাজস্থান ৰয়েলছে ১৯৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰ আৰু ৫টা বলত ৩টা উইকেট হেৰুৱাই ১৯৯ ৰান কৰে।

ইয়াৰ পূৰ্বে অনুষ্ঠিত প্ৰতিযোগিতাৰ আন এখন খেলত দেলহী কেপিটেলছে মুম্বাই ইণ্ডিয়ানছক ১০ ৰানত পৰাস্ত কৰে। খেলখনত দেলহী কেপিটেলছে প্ৰথমে বেট ধৰি ৪টা উইকেটৰ বিনিময়ত ২৫৭ ৰান কৰে। প্ৰত্যুত্তৰ মুম্বাই ইণ্ডিয়ানছে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ২৪৭ ৰানহে কৰিবলৈ সমৰ্থ হয়।

০০০০

ভাৰতৰ পুৰুষৰ ৰিকাৰ্ভ দলে পূৰ্বৰ অলিম্পিক ছেম্পিয়ন দক্ষিণ কোৰিয়াক পৰাজিত কৰি চাংহাইত অনুষ্ঠিত আৰ্ছাৰীৰ বিশ্বকাপত সোণৰ পদক লাভ কৰিছে। খেলুৱৈত্ৰয় ক্ৰমে ধিৰাজ বোম্মাদেৱড়া, তৰুণদেৱ ৰয় আৰু প্ৰবীন যাদৱৰে গঠিত ভাৰতীয় দলটিৰ এই জয়ে বিশ্বকাপ আৰ্ছাৰীত খেলুৱৈত্ৰয় প্ৰথমটো ঐতিহাসিক জয় হিচাপে পৰিগণিত হোৱাৰ উপৰি আগন্তুক পেৰিছ অলিম্পিকত দলটোৰ অংশগ্ৰহণৰ সম্ভাৱনা বৃদ্ধি কৰিছে। চলিত আৰ্ছাৰী বিশ্বকাপত এতিয়ালৈকে ভাৰতে ৫ টা সোণ, এটাকৈ ৰূপ আৰু ব্ৰঞ্জৰ পদক লাভ কৰাৰ লগতে পূৰ্বৰ প্ৰথম

পৰ্যায়ৰ খেলুৱৈ দিপিকা কুমাৰীয়ে আজি দিনত অনুষ্ঠিত হ'বলগীয়া মহিলা ৰিকাৰ্ভৰ ব্যক্তিগত শাখাত পদক লাভৰ যুঁজত অৱতীৰ্ণ হ'ব। ইপিনে, এছিয়ান গেমছৰ খিতাপ বিজয়ী জ্যোঁঠি সুৰেখা ভেন্নামে ব্যক্তিগত শাখাত কালি দেশৰ হৈ চতুৰ্থটো সোণৰ পদক লাভ কৰাৰ বিপৰীতে ভাৰতীয় খেলুৱৈ প্ৰিয়াংসে ব্যক্তিগত শাখাত ৰূপৰ পদক লাভ কৰে।

০০০০

সমাপ্ত